বাতৰি কাকত - ১৫/১০

## গাড়ীৰ ভাড়া- তেল প্ৰদানক লৈ দালালৰাজ

# মৰিগাঁৱত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ নামত ব্যাপক দুৰ্নীতি

**বাতৰি কাকত, মৰিগাঁও, ১৫ অক্টোবৰ ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ৰাজ্যখনত চলি থকা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সম্প্ৰতি ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এনেকৈ সংঘটিত হোৱা চৰম অনিয়ম আৰু দুৰ্নীতিৰ তথ্য বৰ্তমান পোহৰলৈ আহিছে মৰিগাঁও জিলাত। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত সংঘটিত এই দুৰ্নীতিক লৈ ইতিমধ্যে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৰিগাঁও জিলাত দুৰ্নীতিক লৈ ইতিমধ্যে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৰিগাঁও জিলাত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নিয়োজিত একাংশ স্থানীয় পঞ্জীয়কে অভিযোগ কৰিছে যে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কামৰ বাবে এজন স্থানীয় পঞ্জীয়কৰ ব্যৱহৃত গাড়ীৰ বাবে ১৪৪ লিটাৰ পেট্ৰ'ল প্ৰতি মাহে অনুমোদন হয় যদিও জিলা প্ৰশাসনৰ সংশ্লিষ্ট বিষয়াই এই পঞ্জীয়ক সকলক মাহে মাত্ৰ ৭০ লিটাৰ পেট্ৰ'লহে যোগান ধৰে। তাৰ বিপৰীতে প্ৰশাসনৰ বিষয়া সকলে স্থানীয় পঞ্জীয়ক সকলক ১৪৪ লিটাৰ পেট্ৰলৰ ৰচিদত জোৰ জুলুমকৈ স্বাক্ষৰ কৰোৱাই আহিছে। লাভ কৰা তথ্য মতে স্থানীয় পঞ্জীয়ক সকলে এনে ৰচিদত প্ৰাপ্তি স্বীকাৰ কৰি স্বাক্ষৰ নকৰিলে জিলা প্ৰশাসনিক বিষয়াই ভাবুকি প্ৰদান কৰে বিভিন্ন কৌশলেৰে। তথ্যমতে মৰিগাঁও জিলাত ৮৫ টা কেন্দ্ৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কামত ৫৮ জন স্থানীয় পঞ্জীয়ক নিযোজিত হৈ আছে। এই হিচাবলৈ লক্ষ্য ৰাখিলে মৰিগাঁও জিলা প্ৰশাসনে প্ৰতিমাহে ছান কঢ়া তেলৰ মূল্য পাঁচ লাখতকৈ অধিক টকা হ'ব অন্যহাতে স্থানীয় পঞ্জীয়ক সকলক গাড়ী ব্যৱহাৰৰ বিনিময়ত প্ৰতিমাহে ৩২হাজাৰকৈ টকা আদায় দিব লাগে যদিও মৰিগাঁও জিলা প্ৰশাসনৰ বিষয়াই ইয়াতো চৰম দুৰ্নীতি সংঘটিত কৰিছে। তথ্যমতে স্থানীয় পঞ্জীয়ক সকলক গাড়ীৰভাড়াৰ ক্ষেত্ৰতো নিৰ্ধাৰিত মূল্যৰ আধা টকাহে আদায় দিয়ে আৰু এই ভাড়া টকা পাবলৈকে বিষয়া সকলে জনৈক ডেকা উপাধিৰ এজন ঠিকাদাৰক সাক্ষাৎ কৰিবলৈ নিৰ্দেশ দিয়ে। অভিযোগ মতে এই সকলো দুৰ্নীতিৰ বেহা চলাই আছে মৰিগাঁৱৰ নিৰ্বাচনী বিষয়া ছাইবুৰ ৰহমানে। আটাইতকৈ ৰহস্যজনক কথাটো হ'ল কোনো স্থানীয় পঞ্জীয়কে ইয়াৰ প্ৰতিবাদ কৰিলে নিৰ্বাচনী বিষয়া ছাইবুৰ ৰহমানে এই গোটেই বিষয়টো ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাইও জানে বুলি এক প্ৰকাৰৰ লম্ফ - জম্ফ কৰি আহিছে। কোনো মৰিগাঁও জিলাৰ নিৰ্বাচনী বিষয়া গৰাকীয়ে কি যুক্তিত কেনেকৈ ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাইও জানে বুলি দম্ভালি মাৰিছে সেইটোৱে সকলোকে হতবাক কৰি তুলিছে। ইফালে মৰিগাঁও জিলা প্ৰশাসনত চলি থকা এনে কৰ্ম-কাণ্ডৰ সংক্ৰান্তত উপায়ুক্ত গৰাকীও নীৰৱ হৈ থকা কাণ্ডই ৰাইজক আচৰিত কৰি তোলায়ে নহয় দুৰ্নীতি সমূহক প্ৰশ্ৰয় দিয়া বুলিও চৰ্চিত হৈছে। অন্যহাতে মৰিগাঁও জিলাত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কামত ৪৫০ গৰাকী আশা আৰু অংগনবাড়ী কৰ্মীয়ে অহৰহ কাম কৰি আছে যদিও এই সকলক আজিলৈকে কোনো ধৰণৰ ভাট্টা প্ৰদান নকৰাত এই কৰ্মী সকলৰ মাজতো হতাশাই গা কৰি উঠিছে।